**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-05-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বিশিষ্ট সংস্কৃত পণ্ডিত জগদগুৰু ৰামভদ্ৰাচাৰ্যক ৫৮ সংখ্যক জ্ঞানপীঠ বঁটা প্ৰদান কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত আজি চোৰাংচোৱা তথ্য বিনিময়ৰ নতুন সংস্থা উদ্বোধন কৰে।

৩। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি স্পষ্ট কৰিবলৈ চৰকাৰে বিভিন্ন দেশলৈ প্ৰতিনিধি দল প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছে।

৪। তীখা আৰু গধুৰ উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে আজি নতুন দিল্লীত তীখা মন্ত্ৰালয়ৰ নতুন ৱেবছাইট মুকলি কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বিশিষ্ট সংস্কৃত পণ্ডিত জগদগুৰু ৰামভদ্ৰাচাৰ্যক ২০২৩ বৰ্ষৰ বাবে ৫৮ সংখ্যক জ্ঞানপীঠ বঁটা প্ৰদান কৰে। জগদগুৰু ৰামভদ্ৰাচাৰ্য আৰু বিশিষ্ট উৰ্দু কবি তথা সংগীতকাৰ গুলজাৰক ২০২৩ বৰ্ষৰ এই সন্মানীয় বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতিয়ে দুয়োগৰাকী সাহিত্যিকক অভিনন্দন জনায়। অনুষ্ঠানত জগদগুৰু ৰামভদ্ৰাচাৰ্যই নিজৰ আনন্দ প্ৰকাশ কৰি কয় যে এই বঁটাই তেওঁৰ কৰ্মৰাজিক পৰিচয় প্ৰদান কৰিলে।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কয়, যে অপাৰেচন সিন্দূৰ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় ৰাজনৈতিক ইচ্ছাশক্তি, চোৰাংচোৱা সংস্থাৰ সঠিক তথ্য আৰু আমাৰ তিনিওটা সশস্ত্ৰ বাহিনীৰ নিৰ্ভুল আক্ৰমণাত্মক ক্ষমতাৰ অনন্য প্ৰতীক। নতুন দিল্লীত আজি চোৰাংচোৱা তথ্য বিনিময়ৰ নতুন সংস্থা উদ্বোধন কৰি তেওঁ এইদৰে কয়।

oooooo

অপাৰেচন সিন্দুৰৰ পৰিপ্ৰেক্ষিতত পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি স্পষ্ট কৰিবলৈ চৰকাৰে বিভিন্ন দেশলৈ বহুদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছে। সূত্ৰসমূহে জনোৱা মতে, প্ৰতিটো প্ৰতিনিধি দলত শাসক আৰু বিৰোধী দুয়ো পক্ষৰ সাংসদ থাকিব বুলি আশা কৰা হৈছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে নতুন দিল্লীত সাংবাদিকৰ আগত কয় যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এই

কূটনৈতিক প্ৰচাৰ পদক্ষেপৰ বিষয়ে তেওঁৰ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে কথা পাতিছে। উল্লেখযোগ্য যে, পাকিস্তানৰপৰা উৎপন্ন হৈ বিশ্বলৈ বিয়পি যোৱা সন্ত্ৰাসবাদৰ ক্ষেত্ৰত নতুন দিল্লীৰ স্থিতি আৰু অধিক স্পষ্ট কৰাৰ উদ্দেশ্যেৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু অহা সপ্তাহত এই কাৰ্যসূচী আৰম্ভ হোৱাৰ সম্ভাৱনা আছে ।

০০০০০০

জম্মু-কাশ্মীৰৰ কুলগাম আৰু  পুলৱামা জিলাত শেহতীয়াকৈ ছজন সন্ত্ৰাসবাদীক নিৰ্মূল কৰা  সন্ত্ৰাসবাদ বিৰোধী অভিযানক জম্মু-কাশ্মীৰ নিৰাপত্তা বাহিনীয়ে তাৎপৰ্যপূৰ্ণ বুলি অভিহিত কৰিছে। শ্ৰীনগৰত সংবাদ মাধ্যমৰ আগত ভাষণ দি মেজৰ জেনেৰেল ধনঞ্জয় যোশী, GoC ভিক্টৰ ফ'ৰ্চ, কাশ্মীৰ আৰক্ষী মহাপৰিদৰ্শক ভি কে বিৰ্দি, চি আৰ পি এফ  মিতেশ কুমাৰে ৪৮ ঘন্টীয়া অভিযানৰ সবিশেষ প্ৰদান কৰে। শেহতীয়াকৈ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সন্ত্ৰাস বিৰোধী প্ৰচেষ্টা তীব্ৰতৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আৰক্ষী মহাপৰিদৰ্শক ভি কে বিৰ্দিয়ে কয় যে কোনো অসামৰিক লোক হতাহত নোহোৱাকৈ  এই অভিযান চলোৱা হৈছে। মেজৰ জেনেৰেল ধনঞ্জয় যোশীয়ে কয় যে সক্ৰিয় চোৰাংচোৱাৰ ফলত শ্বোপিয়ানত তিনিজন আৰু পুলৱামাৰ তিনিজন সন্ত্ৰাসবাদীক নিৰ্মূল কৰা হয়। শ্ৰী মিতেশ কুমাৰে জনসাধাৰণৰ সহযোগিতাৰ প্ৰশংসা কৰে। বিষয়াসকলে অসামৰিক সুৰক্ষা সুনিশ্চিত কৰাৰ সমান্তৰালকৈ সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে।

০০০০০০

কেন্দ্ৰীয় কয়লা খনি মন্ত্ৰী তথা তেলেংগানা ৰাজ্যিক বিজেপিৰ অধ্যক্ষ জি কিষাণ ৰেড্ডীয়ে আজি কয় যে ভাৰতত সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰি পাকিস্তানত আশ্ৰয় লোৱা সন্ত্ৰাসবাদীসকলক গতাই দিলে আৰু পাকিস্তান অধীকৃত কাশ্মীৰ এৰিলেহে পাকিস্তানৰ সৈতে আলোচনা সম্ভৱ হ'ব। হায়দৰাবাদত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে এই দুটা চৰ্ত পূৰণ হ'লেহে পাকিস্তানৰ সৈতে আলোচনা সম্ভৱ হ'ব।

তেওঁ সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়া বাবে পাকিস্তানক সমালোচনা কৰে আৰু এই ক্ষেত্ৰত ভাৰতৰ দৃঢ় স্থিতিৰ বিষয়ে উল্লেখ কৰি কয়, যে অপাৰেচন সিন্দূৰৰ সফলতা এক প্ৰাৰম্ভিক পৰ্যায়হে। মন্ত্ৰীগৰাকীয়ে পাকিস্তানত থকা সন্ত্ৰাসবাদী শিবিৰ সম্পূৰ্ণ নিৰ্মূল কৰাৰ লগতে কোনো ধৰণৰ কূটনৈতিক আলোচনাৰ পূৰ্বে পাকিস্তান অধীকৃত কাশ্মীৰ খালী কৰাৰ ওপৰত জোৰ দিয়ে।

শ্ৰীৰেড্ডীয়ে অপাৰেচন সিন্দূৰৰ সফলতাৰ বাবে ভাৰতীয় সেনাৰে সন্মানাৰ্থে আয়োজিত ত্ৰিৰংগ যাত্ৰা হায়দৰাবাদত কাইলৈ অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ভাৰতীয় সেনাৰ সাফল্যৰ বাবে আয়োজিত এই অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

ভাৰতীয় বৈদেশিক বাণিজ্য প্ৰতিষ্ঠান চমুকৈ IIFTয়ে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ডুবাইত ইয়াৰ প্ৰথমটো বিদেশৰ চৌহদ মুকলি কৰাৰ কথা ঘোষণা কৰিছে। ই IIFTৰ বিশ্বব্যাপী সম্প্ৰসাৰণৰ এক মূল পদক্ষেপ হিচাপে বিবেচিত হ'ব। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ইয়াৰ দ্বাৰা

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক শিক্ষাৰ ক্ষেত্ৰত ভাৰতৰ অন্তৰ্ভুক্তিকৰণ শক্তিশালী হ'ব আৰু ই ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ নীতিসমূহ সঁচা অৰ্থত প্ৰতিফলিত হৈ ৰ'ব। তেওঁ লগতে কয় যে এই নতুন চৌহদ ভাৰত-ইউ এ ইৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ এক প্ৰমাণ আৰু ই ভৱিষ্যতৰ ব্যৱসায়িক নেতাসকলক গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০

তীখা আৰু গধুৰ উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে আজি নতুন দিল্লীত তীখা মন্ত্ৰালয়ৰ নতুন ৱেবছাইট মুকলি কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীকুমাৰাস্বামীয়ে কয়, যে এই ৱেবছাইটটোৱে সঠিক সময়ত গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰি অংশীদাৰসকলক সবলীকৰণ কৰিব।

স্বচ্ছতা আৰু দক্ষতা বৃদ্ধিৰ বাবে ডিজাইন কৰা এই ৱেবছাইটটো উন্নত চাইবাৰ সুবিধা প্ৰদান কৰাৰ লগতে ইয়াক ব্যৱহাৰকাৰী অনুকূল হিচাপে প্ৰস্তুত কৰি উলিওৱা হৈছে। ই ভাৰত চৰকাৰৰ ৱেবছাইটসমূহৰ বাবে নিৰ্দেশিকাৰ সৈতে প্ৰৱেশাধিকাৰৰ সন্মতিও প্ৰদান কৰিব। ৱেবছাইটটোৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত আধুনিক ডিজাইন, নীতি দস্তাবেজ আৰু উদ্যোগৰ তথ্য অন্তৰ্ভুক্ত আছে। এই ৱেবছাইটটো বিভিন্ন ভাৰতীয় ভাষাত উপলব্ধ হ'ব আৰু ইয়াত ভাৰতীয় তীখা উদ্যোগৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা যাব।

০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানে আজি কয় যে ত্ৰিপুৰা ৰাজ্যৰ দক্ষিণৰ জিলাত MNREGA ৰ অধীনত নাম পঞ্জীয়ন কৰা ৯৭.৫৫ শতাংশ জব কাৰ্ডধাৰীয়ে চাকৰি লাভ কৰি আহিছে। বেলোনিয়াত দক্ষিণ ত্ৰিপুৰা ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনত আজি সংবাদমেলত ভাষণ দি শ্ৰী মুৰুগানে ৯৭ হাজাৰজন লোকৰ MNREGA জব কাৰ্ড আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে আঁচনিখনত উল্লেখ থকা অনুসৰি, নিয়োগৰ দাবী কৰা আৰু দক্ষতাহীন কাম কৰিবলৈ ইচ্ছুক গ্ৰাম্য পৰিয়ালৰ প্ৰায় দুহেজাৰৰো অধিক প্ৰাপ্তবয়স্ক লোকক ১০০ দিনৰ মজুৰি প্ৰদানৰ নিশ্চয়তা দিয়া হৈছে। ইয়াৰ উপৰিও PM kishan সন্মান নিধিৰ অধীনত ২১ হাজাৰৰো অধিক খেতিয়কে নিজৰ বেংকৰ একাউন্টত পোনপটীয়াকৈ প্ৰতিমাহে ৬০০ টকা লাভ কৰিছে। জিলাখনত ২৮ হাজাৰ লাখপতি বাইদেউ থকাৰ উপৰি প্ৰায় সাতহাজাৰ মহিলা আত্মসহায়ক গোটত নিয়োজিত হৈ আছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য প্ৰকাশ কৰে। কেন্দ্ৰৰ বিভিন্ন ধ্বজাবাহী আঁচনিয়ে জিলাখনত অতি প্ৰয়োজনীয় পৰিৱৰ্তন অনাৰ লগতে দ্বিতীয় পৰ্যায়ৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত জিলাখনত চৰকাৰে ৩১ হাজাৰ ঘৰ চিনাক্ত কৰিছে বুলিও ড° মুৰুগানে উল্লেখ কৰে।

০০০০০

সন্ত্ৰাসবাদৰ সমৰ্থন কৰাৰ ক্ষেত্ৰত পাকিস্তানে বিভিন্ন ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন সন্ত্ৰাসবাদী সংগঠনক বিত্তিয় সাহায্য প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি বিভিন্ন সন্ত্ৰাসবাদী গোটৰ সৈতে দেশখনৰ পোনপটীয়া সম্পৰ্কৰ তথ্য-প্ৰমাণ পোৱা গৈছে। এটা ব্ৰিটিছ বাতৰি প্ৰতিষ্ঠানৰ সৈতে হোৱা সাক্ষাৎকাৰত পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা মহম্মদ আছিফে তিনি দশক ধৰি পাকিস্তানে সন্ত্ৰাসবাদী গোটক সমৰ্থন আগবঢ়াই অহাৰ কথাটো স্বীকাৰ কৰিছে। পেহেলগামত হোৱা শেহতীয়া সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ

পৰিপ্ৰেক্ষিতত মন্ত্ৰীগৰাকীৰ এনে স্বীকাৰোক্তিয়ে আঞ্চলিক স্থিৰতাৰ ক্ষেত্ৰত পাকিস্তানৰ ভূমিকা সন্দৰ্ভত বহুতো প্ৰশ্ন উত্থাপিত হৈছে। সন্ত্ৰাসবাদী সংগঠনক আগবঢ়োৱা সমৰ্থনৰ বাবে পাকিস্তানৰ স্বৰূপ সমগ্ৰ বিশ্বৰ সন্মুখত প্ৰকাশ পোৱাৰ লগতে দেশখন সন্ত্ৰাসবাদীৰ নিৰাপদ আশ্ৰয়স্থল হিচাপে পৰিগণিত হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিশ্ব সম্প্ৰদায়ে পাকিস্তানক বিভিন্ন ক্ষেত্ৰত কূটনৈতিকভাৱে অকলশৰীয়া কৰিছে। যোৱা মাহত পেহেলগামত হোৱা আক্ৰমণৰ ঘটনাৰ পাছত ভাৰতে পাক অধিকৃত কাশ্মীৰ তথা পাকিস্তানৰ ৯ টা সন্ত্ৰাসবাদী শিবিৰত অপাৰেচন সিন্দূৰৰ জৰিয়তে ভয়ানক আক্ৰমণ চলায়। এই আক্ৰমণত বাহাৱালপুৰ, মুৰিদকেকে ধৰি লস্কৰ-ই-তৈবা তথা জৈইছ্-ই-মহম্মদৰ দৰে সন্ত্ৰাসবাদী গোটসমূহৰ আশ্ৰয় স্থলসমূহ ধ্বংস হৈছে। ছৌদি আৰব, সংযুক্ত আৰব আমীৰী ৰাষ্ট্ৰ তথা চীনকে ধৰি এতিয়ালৈ পাকিস্তানৰ মিত্ৰদেশ হিচাপে পৰিগণিত হৈ অহা দেশসমূহেও পাকিস্তানৰ পৰা দূৰত্ব অৱলম্বন কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে লস্কৰ-ই-তৈবাৰ দৰে সন্ত্ৰাসবাদী গোটসমূহৰ সৈতে পাকিস্তানৰ সম্পৰ্কৰ ওপৰত বিশেষভাৱে দৃষ্টিপাত কৰাৰ লগত পাকিস্তানে দক্ষিণ এছিয়াত কৌশলগত সমতা বজাই ৰখাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। গোলকীয় মঞ্চত পাকিস্তানৰ স্বৰূপ উদঙাই দিবলৈ ভাৰতে প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে হাফিজ চৈয়িদ, জাকিউৰ ৰেহমান লাখভিকে ধৰি সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত পাকিস্তানৰ বহু লোক তথা লস্কৰ-ই-তৈবা আৰু জামাত-উদ-দাৱাৰ দৰে বহু সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে পাকিস্তানৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টিভংগী প্ৰতিফলিত হৈছে।

০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা উত্তেজনাময় পৰিবেশৰ বাবে সাময়িকভাৱে স্থগিত ৰখা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**